# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-07-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। আজি দেশত দক্ষ ভাৰত অভিযানৰ দশম বাৰ্ষিকী উদযাপন কৰা হৈছে। আজি বিশ্বজুৰি বিশ্ব যুৱ দক্ষতা দিৱসো উদযাপন কৰা হৈছে।

২। তামিলনাডুৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা মুক্তি যুঁজাৰু কে কামৰাজক তেওঁৰ জন্ম দিৱসত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰদ্ধাঞ্জলি জনাইছে।

৩। আজি নেচনেল কেডেট কৰ্পছ্‌, এন চি চিৰ ৭৭ বছৰীয়া প্ৰতিষ্ঠা দিৱস।

৪। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে ন্যায়াধীশ আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্য-য়াধীশ হিচাপে নিযুক্তি দিছে।

আৰু

৫। এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ টেষ্ট ক্ৰিকেট শৃংখলাত ইংলেণ্ডে ২-১ৰ অগ্ৰগতি লাভ কৰিছে।

০০০০০০০

আজি দেশত দক্ষ ভাৰত অভিযানৰ দশম বাৰ্ষিকী উদযাপন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৫ চনত এই অভিযানৰ পাতনি মেলিছিল। ইয়াৰ জৰিয়তে দেশৰ যুৱ সমাজক নিযুক্তি লাভ, উদ্যমিতা আৰু বহনক্ষম জীৱন নিৰ্বাহৰ বাবে উপযুক্ত কৰি তোলাকৈ উদ্যোগ উপযোগী দক্ষতাৰে পৰিপূৰ্ণ কৰি তোলাৰ লক্ষ্য লোৱা হৈছিল। কেন্দ্ৰীয় দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰী জয়ন্ত চৌধুৰীয়ে যুৱ সমাজক ব্যৱহাৰিক আৰু বিভিন্ন খণ্ডত কাম কৰিব পৰাকৈ দক্ষ কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰিছে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দক্ষ ভাৰত অভিযানে বিশেষকৈ মহিলা আৰু আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ জীৱন ধাৰণৰ মান উন্নত কৰি তোলাত সহায় কৰি আহিছে। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি দক্ষ ভাৰত হৈছে কেন্দ্ৰীয় চৰকাৰৰ এটা প্ৰচেষ্টা, যাৰ জৰিয়তে যুৱ সমাজক নিযুক্তি লাভ কৰিব পৰাকৈ দক্ষ কৰি তোলাত গুৰুত্ব দিয়া হয়। এইক্ষেত্ৰত আমাৰ সংবাদদাতাই এইদৰে জনায় –

ভইচ

প্ৰধানমন্ত্ৰী কুশল বিকাশ যোজনা আৰু দক্ষ ভাৰত ডিজিটেল হাবৰ দৰে কেতবোৰ আঁচনিৰ জৰিয়তে ভাৰত সম্প্ৰতি গোলকীয় দক্ষতা হাবত পৰিণত হোৱাৰ দিশে আগবাঢ়িছে। দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰ্যালয়ে বিভিন্ন আঁচনিৰ জৰিয়তে দেশৰ ৬ কোটিৰো অধিক যুৱক-যুৱতীক সৱলীকৰণৰ জৰিয়তে উজ্জ্বল ভৱিষ্যতৰ দিশে আগুৱাই নিবলৈ সমৰ্থ হৈছে। প্ৰধানমন্ত্ৰী কুশল বিকাশ যোজনাৰ অধীনত ২০১৫ চনৰ পৰা বৰ্তমানলৈকে ৩৮ টা খণ্ডত ১ কোটি ৬০ লাখৰো অধিক যুৱক-যুৱতীক প্ৰশিক্ষিত কৰি তোলা হৈছে। ইয়াৰে ৪৫ শতাংশই হৈছে মহিলা। এই যুৱক-যুৱতীসকলক নিৰ্মাণ পৰম্পৰাগত শিল্প, স্বাস্থ্য খণ্ড, তথ্য প্ৰযুক্তি, ইলেক্ট্ৰনিক্‌ছ আৰু খুচুৰা খণ্ডত বিশেষ প্ৰশিক্ষণ দিয়া হৈছে। দেশৰ মুঠ জনসংখ্যাৰ ৬৫ শতাংশই ৩৫ বছৰ বয়সৰ তলৰ হোৱালৈ চাই দক্ষতা বিকাশ আৰু যুৱ সৱলীকৰণে ভাৰতৰ ভৱিষ্যত নিৰ্মাণত মুখ্য ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

আজি বিশ্ব যুৱ দক্ষতা দিৱসো উদযাপন কৰা হৈছে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ২০১৪ চনৰ ঘোষণা পত্ৰ অনুসৰি প্ৰতিবছৰে ১৫ জুলাইত এই দিৱস বিশ্বজুৰি উদযাপন কৰি অহা হৈছে। এই বছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে – কৃত্ৰিম বুদ্ধিমত্তা আৰু ডিজিটেল দক্ষতাৰ জৰিয়তে যুৱ সৱলীকৰণ।

000000000

তামিলনাডুৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা মুক্তি যুঁজাৰু কে কামৰাজক তেওঁৰ জন্ম দিৱসত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰদ্ধাঞ্জলি জনাইছে।  কে কামৰাজক ভাৰতৰ স্বাধীনতা আন্দোলনৰ আগশাৰীৰ সংগ্ৰামী হিচাপে অভিহিত কৰি শ্ৰী মোদীয়ে কয়, যে স্বাধীনতাৰ পাছত দেশৰ যাত্ৰাত তেওঁ অমূল্য নেতৃত্বৰে কেইবাবছৰ ধৰি সেৱা আগবঢ়াইছিল। নেতাগৰাকীৰ আদৰ্শ আৰু সামাজিক ন্যায়ৰ প্ৰতি থকা অৱদানে সকলোকে প্ৰেৰণা যোগাই আহিছে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ১৯০৩ চনত জন্মগ্ৰহণ কৰা কামৰাজে তেতিয়াৰ মাদ্ৰাজ প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে সেৱা আগবঢ়োৱাৰ উপৰি পিছৰ পৰ্যায়ত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতিৰ পদো অলংকৃত কৰিছিল। ৰাষ্ট্ৰীয় ৰাজনীতিত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। শিক্ষাক্ষেত্ৰত নিজস্ব চিন্তাৰে কামৰাজে বিদ্যালয়সমূহত বিনামূলীয়া শিক্ষা আৰু মধ্যাহ্ন ভোজন আঁচনি আৰম্ভ কৰিছিল। প্ৰয়াত নেতাগৰাকীৰ জন্ম দিৱসত তেওঁৰ প্ৰতি সন্মান জনাই তামিলনাডুত শিক্ষা বিকাশ দিৱস হিচাপে উদযাপন কৰি অহা হৈছে। দেশৰ প্ৰতি আগবঢ়োৱা সেৱাৰ বাবে তেওঁক ১৯৭৬ চনত ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্নৰে সন্মানিত কৰা হৈছিল।

000000000

আজি নেচনেল কেডেট কৰ্পছ, এন চি চিৰ ৭৭ বছৰীয়া প্ৰতিষ্ঠা দিৱস। দেশৰ যুৱ সমাজৰ মাজত চৰিত্ৰ নিৰ্মাণ, ভাতৃত্ববোধৰ বিকাশ, সেৱাৰ মনোভাৱ আৰু নেতৃত্বৰ বিকাশৰ উদ্দেশ্য আগত ৰাখি এন চি চি প্ৰতিষ্ঠা কৰা হৈছিল। দেশৰ প্ৰতিৰক্ষাত অৱদান যোগাব পৰাকৈ যুৱ সমাজক সেৱাৰ প্ৰশিক্ষণ দিয়া আৰু ৰাষ্ট্ৰীয় জৰুৰী অৱস্থাত সেনা বাহিনীক বিভিন্ন কামত সহায় কৰিব পৰাকৈ প্ৰস্তুত কৰি তোলা ইয়াৰ অন্যতম লক্ষ্য আছিল। আমাৰ সংবাদদাতাই কয় –

ভইচ

স্বাধীনতাৰ পাছত প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ অধীনত এন চি চি আইনৰ জৰিয়তে ১৯৪৮ চনৰ ১৬ এপ্ৰিলত এন চি চি আৰম্ভ কৰা হৈছিল। বিদ্যালয় আৰু মহাবিদ্যালয়সমূহ গ্ৰীষ্ম বন্ধৰ পাছত পুনৰ খোলাৰ সময়তে ১৯৪৮ চনৰ ১৫ জুলাইত শিক্ষানুষ্ঠানসমূহত এন চি চি আনুষ্ঠানিকভাৱে প্ৰৱৰ্তন কৰা হৈছিল। এন চি চিৰ মহিলা শাখা ১৯৪৯ চনৰ জুলাইত আৰম্ভ কৰা হৈছিল। আনহাতে, ১৯৫০ চনত ব'ম্বে আৰু কলকাতাত এন চি চিৰ বায়ু সেনা বাহিনী শাখা প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াৰ পাছত সেনা বাহিনীৰ তিনিওটা শাখাৰ সেৱাক প্ৰতিনিধিত্ব কৰিব পৰাকৈ ১৯৫২ চনত এন চি চিৰ নৌ সেনা শাখাও গঠন কৰা হয়।

0000000

মাৰাথন দৌৰবিদ ফৌজা সিঙৰ বিয়োগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ফৌজা সিঙে অনন্য ব্যক্তিত্ব আৰু ব্যৱহাৰেৰে দেশৰ যুৱ সমাজক শাৰীৰিক সক্ষমতাৰ প্ৰতি উদ্বুদ্ধ কৰি আহিছিল। প্ৰধানমন্ত্ৰীয়ে শ্ৰী সিঙক এগৰাকী ব্যতিক্ৰমী এথলিট হিচাপে অভিহিত কৰে। শ্ৰী মোদীয়ে খেলুৱৈগৰাকীৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

000000000

কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে ন্যায়াধীশ আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিছে। ইয়াৰ পূৰ্বে আশুতোষ কুমাৰ পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কৰ্মৰত আছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পূৰ্বৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছিল। ইয়াৰ পিছতে সৰ্বোচ্চ ন্যায়ালয়ৰ কলেজিয়ামে পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কৰ্মৰত আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তিত অনুমোদন জনাইছিল। কলেজিয়ামৰ অনুমোদনৰ ভিত্তিত কালি আইন আৰু ন্যায় মন্ত্ৰালয়ে আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়ে।

০০০০০০০

কঠোৰ নিৰাপত্তা বেষ্টনীৰ মাজত ছহেজাৰ ৩৮৮ গৰাকী তীৰ্থযাত্ৰী ভগৱতী নগৰ যাত্ৰী নিবাস শিবিৰৰ পৰা অমৰনাথ গুহা মন্দিৰলৈ তীৰ্থ যাত্ৰা কৰাৰ উদ্দেশ্যে কাশ্মীৰ উপত্যকালৈ ৰাওনা হয়। তীৰ্থযাত্ৰীসকল আজি পুৱাৰ ভাগত ২৪৮ খন গাড়ীৰে শিবিৰৰ পৰা যাত্ৰা আৰম্ভ কৰে। উল্লেখযোগ্য যে শিবিৰটোত ৪ হাজাৰ ৮৮৬ গৰাকী পুৰুষৰ লগতে এহেজাৰ ৩০৮ গৰাকী মহিলা, ১৫ জন শিশু, ১৫৮ জন সাধু আৰু ২১ গৰাকী মহিলা সাধু আছে।

০০০০০০০০০

এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ টেষ্ট ক্ৰিকেট শৃংখলাত ইংলেণ্ডে ২-১ৰ অগ্ৰগতি লাভ কৰিছে। পাঁচখনীয়া শৃংখলাৰ পৰৱৰ্তী খেলখন অহা ২৩ জুলাইত মানচেষ্টাৰত আৰম্ভ হ'ব।

লৰ্ডছত অনুষ্ঠিত শৃংখলাৰ তৃতীয়খন টেষ্টত ভাৰত ২২ ৰানত পৰাস্ত হয়। ১৯৩ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ নমা ভাৰত সহজেই জয়ী হ'ব বুলি প্ৰথম অৱস্থাত বহুতে ধাৰণা কৰিছিল যদিও ঘৰুৱা দলটোৱে চমকপ্ৰদ বলিঙেৰে ১৭০ ৰানতেই ভাৰতক সীমাবদ্ধ কৰি ৰাখিবলৈ সমৰ্থ হয়।

০০০০০০০

সমাপ্ত